**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
-----------------------

১। এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ক সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়কখন আজি লোকসভাত উত্থাপন প্ৰক্ৰিয়া আৰম্ভ হৈছে।

২। ভাৰত কেৱল সৰ্ববৃহৎ গণতন্ত্ৰই নহয়, গণতন্ত্ৰৰ মাতৃ হিচাপেও বিবেচিত হৈ আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই ৰাজ্যসভাত সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাৰ বিশেষ আলোচনাত প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা বছৰৰ পৰা নিযুক্তি পৰীক্ষাৰ পৰিৱৰ্তে উচ্চ শিক্ষাৰ নামভৰ্তিৰ বাবে প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিব।

৪। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

*আৰু*

৫। ব্ৰিছবেন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰত ফ'ল' অনৰ পৰা হাত সাৰিবলৈ সমৰ্থ হৈছে।

০০০০০০

এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ক সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়কখন আজি লোকসভাত উত্থাপন প্ৰক্ৰিয়া আৰম্ভ হৈছে। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে এই বিধেয়কখন উত্থাপন কৰিবলৈ বিচৰাৰ সময়তে বিৰোধী কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, উদ্ধৱপন্থী শিৱসেনা, চি পি এম আৰু আন বিৰোধী দলসমূহে বিৰোধিতা কৰে। বিৰোধী পক্ষই বিধেয়ক দুখনে সংবিধানৰ মৌলিক গাঁথনিত আঘাত হনা বুলি অভিযোগ কৰি ইয়াক যুটীয়া সংসদীয় সমিতিৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰিবলৈ দাবী জনায়। ইয়াৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষ ওম বিৰলাই সদনৰ মত বিভাজনৰ পোষকতা কৰে। আমাৰ এই বাতৰি লিখাৰ পৰলৈকে ইলেকট্ৰনিক ভোটগ্ৰহণ প্ৰক্ৰিয়াৰে নিম্ন সদনত এই মত বিভাজন চলি আছে।

০০০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰিছে। লোকসভাত আজি এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিধেয়কখন উত্থাপনৰ পূৰ্বে আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ৰিজিজুৱে কয়, যে এই ব্যৱস্থা কোনো দল বা ব্যক্তি বিশেষৰ বাবে নহয়, বৰং দেশৰ সুবিধাৰ বাবেহে এই ব্যৱস্থা ৰূপায়ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। বিধেয়কখন সন্দৰ্ভত বিৰোধী পক্ষই কৰা সমালোচনাৰ প্ৰত্যুত্তৰ দি শ্ৰী ৰিজিজুৱে কয়, যে ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত দুটা

দশকলৈ একেলগে নিৰ্বাচন অনুষ্ঠিত হৈছিল। কংগ্ৰেছে সংবিধানৰ ৩৫৬ নম্বৰ অনুচ্ছেদৰ অপব্যৱহাৰ কৰাৰ বাবে সংসদ আৰু ৰাজ্যিক বিধানসভাৰ বাবে পৃথক নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয় বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে।

কংগ্ৰেছ, সমাজবাদী পাৰ্টী, এন চি পি আৰু চি পি আই এমকে ধৰি বিৰোধী দলসমূহে এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ক বিধেয়ক উত্থাপনৰ বিৰোধিতা কৰিছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কয়, যে তেওঁৰ দলে এই বিধেয়কখন সংবিধানৰ মূল গাঁথনিৰ বিৰোধী আৰু সেয়েহে তেওঁলোকে সদনত এই বিধেয়ক উত্থাপনৰ বিৰোধিতা কৰিব। শ্ৰী ৰমেশে এই বিধেয়ক বিবেচনাৰ বাবে যুটীয়া সংসদীয় কমিটি গঠনৰ বাবে দাবী জনাব বুলিও প্ৰকাশ কৰে। সমাজবাদী পাৰ্টীৰ ধৰ্মেন্দ্ৰ যাদৱ, চি পি এমৰ জন ব্ৰিটাছ আৰু এন চি পিৰ সুপ্ৰিয়া ছুলেও এই বিধেয়কখনৰ বিৰোধিতা কৰি সংবাদ মাধ্যমত তেওঁলোকৰ দলীয় স্থিতি দাঙি ধৰে।

০০০০০০

ভাৰতৰ সংবিধানৰ ৭৫ বছৰীয়া গৌৰৱময় যাত্ৰাক লৈ আজি ৰাজ্যসভাত পুনৰ বিশেষ আলোচনা অনুষ্ঠিত হৈছে।আলোচনাত অংশগ্ৰহণ কৰি সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নড্ডাই কয়,যে ভাৰত কেৱল সৰ্ববৃহৎ গণতন্ত্ৰই নহয়, গণতন্ত্ৰৰ মাতৃ হিচাবেও বিবেচিত হৈ আহিছে।তেওঁ কয় ,যে ভাৰতীয় গণতন্ত্ৰৰ নীতি অনুসৰি নাগৰিকে মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিব পৰাকৈ স্বাধীনতা, সমতা আৰু সৰ্বাত্মক দৃষ্টিভংগী গ্ৰহণ কৰা হয়। শ্ৰী নাড্ডাই লগতে চৰকাৰ এই দৃষ্টিভংগীৰ প্ৰতি উৎসৰ্গিত আৰু , ভাৰতীয় সংবিধান প্ৰণয়ন কৰা সংবিধান সভাৰ সদস্যসকলৰ ওচৰত জাতিটো ঋণী হৈ থাকিব বুলিও মন্তব্য কৰে।শ্ৰীনাড্ডাই কংগ্ৰেছ দলে অতীতত সংবিধানক অৱমাননা কৰিছিল বুলি অভিযোগ তোলে।তেওঁ , দলটোৱে এসময়ত ন্যায়পালিকাৰ স্বাধীনতা খৰ্ব কৰাৰ লগতে তদানীন্তন চৰকাৰৰ অনৈতিক কাৰ্যকলাপ সন্দৰ্ভত ৰায় দিয়া কেইবাগৰাকী বিচাৰপতিকো অৱমাননা কৰিছিল বুলিও অভিযোগ তোলে।

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা বছৰৰ পৰা নিযুক্তি পৰীক্ষাৰ পৰিৱৰ্তে, উচ্চ শিক্ষাৰ নামভৰ্তিৰ বাবে প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিব বুলি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰে ১০টা নতুন পদ সৃষ্টি কৰি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক পুনৰ্গঠনৰ পৰিকল্পনা লৈছে। NEET UG অনলাইন নে কাগজে কলমে অনুষ্ঠিত হ'ব সেই সন্দৰ্ভত স্বাস্থ্য মন্ত্ৰালয়ৰ সৈতে আলোচনা চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ আৰু কয় যে চৰকাৰে অদূৰ ভৱিষ্যতে কম্পিউটাৰৰ সহায়ত আৰু প্ৰযুক্তি চালিত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰাৰ দিশত অগ্ৰসৰ হোৱাৰ লক্ষ্য লৈছে। মন্ত্ৰীগৰাকীয়ে সমগ্ৰ দেশৰ শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাথনি উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলিও মন্তব্য কৰে।শিক্ষা ক্ষেত্ৰৰ উন্নয়নৰ বাবে

কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে বিগত ৮ বছৰত প্ৰতিজন শিক্ষাৰ্থীৰ শিক্ষাৰ বাবে কৰা ব্যয় ১৩০ শতাংশ বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে।এই ব্যয় ২০১৩-১৪ বৰ্ষত ১০ হেজাৰ ৭৮০ টকাৰ পৰা বৃদ্ধি হৈ ২০২১ -২২ বৰ্ষত ২৫ হাজাৰ ৪৩ টকা হৈছেগৈ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।শ্ৰী প্ৰধানে কয় যে প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত চৰকাৰে ১ লাখ কোটি টকাৰো অধিক ধন ব্যয় কৰিছে।

এখন দেশ এবাৰ subscription সন্দৰ্ভত শ্ৰী প্ৰধানে কয় যে সম্প্ৰতি ছাত্ৰ ছাত্ৰীসকলৰ বাবে ১৩ হাজাৰৰো অধিক ই জাৰ্ণেল উপলব্ধ হৈছে আৰু পৰৱৰ্তী তিনি বছৰত চৰকাৰে এই পদক্ষেপৰ অধীনত ছহেজাৰ কোটি টকা বিনিয়োগ কৰিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এই ছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সপত্নীক দেশখনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই উপলক্ষে ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুক আৰু ভূটানৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ভাৰত আৰু ভূটান সভ্যতা কেন্দ্ৰিক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰে বান্ধ খাই আছে। অনাগত সময়ত দুয়ো দেশে পাৰস্পৰিক সহযোগিতা বৰ্তাই ৰাখি উন্নয়নৰ শিখৰত উপনীত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে ভূটানে পাৰিপাৰ্শ্বিকতাক সকলো নীতিগত সিদ্ধান্তৰ আধাৰ হিচাপে ৰাখি উন্নয়নমূলক প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কালি থিম্ফুত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে দেশখনত অনুষ্ঠিত এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশ লৈ ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' শ্বেৰিং টবগে আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলক এডভাণ্টেজ আছাম সন্মিলন ২০২৫ৰ বাবে আমন্ত্ৰণ জনায়। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ডং শৰ্মাই অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰে'ল পথ নিৰ্মাণ সম্পৰ্কেও দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰাৰ লগতে অসম তথা ভাৰতৰ সৈতে ভূটানৰ সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা। তদুপৰি ভূটানৰ পৰা নামি অহা নৈসমূহৰ পৰা অসমত সৃষ্টি হোৱা বান পৰিস্থিতি নিয়ন্ত্ৰণ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে আলোচনা কৰাৰ সম্ভাৱনা আছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটকৰ পদ্ম বঁটাৰে সন্মানিত পৰিৱেশবিদ তুলসী গৌড়াৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। জীৱন কালত বহু হাজাৰ বৃক্ষ ৰোপণ কৰি পৰিৱেশ ৰক্ষাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা শ্ৰীমতী গৌড়াৰ মহান কৰ্মৰাজিৰ প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয়, যে আমাৰ ধৰিত্ৰী ৰক্ষাৰ বাবে কাম কৰি অহা নতুন প্ৰজন্মক তুলসী গৌড়াৰ জীৱন আৰু কৃতিয়ে সদায় অনুপ্ৰাণিত কৰি যাব।

০০০০০০

দেশৰ কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ছয় দফীয়া কৌশল যুগুত কৰিছে বুলি আজি লোকসভাত কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰে। তেওঁ কয় যে কৃষকৰ আয় ২০০২-০৩ চনত মাহে দুহেজাৰ ১১৫ টকাৰ পৰা ২০১৮-১৯ চনত দহ হাজাৰ ২১৮ টকালৈ বৃদ্ধি পোৱাটোৱে চৰকাৰৰ প্ৰচেষ্টাৰ সাফল্যকে প্ৰতিফলিত কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰৰ ছয় দফীয়া কৌশলত উৎপাদন বৃদ্ধি, উৎপাদন ব্যয় হ্ৰাস, উৎপাদিত সামগ্ৰীৰ উচিত নূন্যতম মূল্য নিশ্চিত কৰা, প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ক্ষতিৰ জোৰা মৰা, ভিন ভিন কৃষি তথা প্ৰাকৃতিক আৰু জৈৱিক কৃষিৰ প্ৰসাৰ আদিক অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ কয় যে  কৃষকসকলক কম সুদৰ হাৰত ঋণ দিয়াৰ উপৰি সাৰ আৰু যান্ত্ৰিক পদ্ধতিৰে কৃষিৰ বাবে ৰাজসাহায্যও দিয়া হৈছে। তেওঁ কয়,যে যোৱা বছৰ কৃষকসকলক দুইলাখ ১৪ হাজাৰ কোটি টকাৰ ৰাজসাহায্য দিয়া হৈছিল। মন্ত্ৰীগৰাকীয়ে লগতে কেন্দ্ৰীয় চৰকাৰে নূন্যতম সমৰ্থন মূল্যত অভিলেখ পৰিমাণৰ সামগ্ৰী ক্ৰয় কৰিছে বুলিও জানিবলৈ দিয়ে।

০০০০০০

ব্ৰিছবেন টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতে ফ'ল' অনৰ পৰা হাত সাৰিবলৈ সমৰ্থ হৈছে। গাবাত অনুষ্ঠিত তৃতীয় টেষ্টৰ আজি চতুৰ্থ দিনৰ সামৰণিত ভাৰতে প্ৰথম ইনিংছত ৯টা উইকেট হেৰুৱাই ২৫২ ৰান সংগ্ৰহ কৰে। ফ'ল' অনৰ পৰা হাত সাৰিবলৈ ভাৰতক ২৪৬ ৰান প্ৰয়োজন আছিল। দিনান্তত যশপ্ৰীত বুমৰাই ১০ আৰু আকাশ দীপে ২৭ ৰান কৰি বেট ধৰি আছে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বোচ্চ ৮৪ ৰান সংগ্ৰহ কৰে। ৰবীন্দ্ৰ জাদেজাই দৃঢ়তাৰে খেলি ৭৭ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ মিছেল ষ্টাৰ্কে ৩ টা আৰু পেট কামিন্সে ৪ টা উইকেট দখল কৰে। ভাৰত এতিয়া প্ৰথম ইনিংছৰ এটা উইকেট হাতত থকা অৱস্থাত অষ্ট্ৰেলিয়াতকৈ ১৯৩ ৰানত পিছ পৰি আছে। কাইলৈ খেলখনৰ অন্তিম দিন।

০০০০০০

সমাপ্ত